**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলে ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি ভাৰত চৰকাৰ তথা জনসাধাৰণলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

২। বিশিষ্ট বেলুচ মানৱ অধিকাৰ কৰ্মী মীৰ য়াৰ বেলুচে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ খনিজ অভিযানৰ অধীনত ভাৰতৰ গুৰুত্বপূৰ্ণ খনিজ অন্বেষণ সন্দৰ্ভত দিয়া বিবৃতিৰ প্ৰশংসা কৰিছে।

৩। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে আজিৰে পৰা দেশৰ প্ৰায় এহেজাৰ ১৫০ টা টʼল প্লাজাত ফাষ্ট টেগ বাৰ্ষিক অনুমতি পত্ৰৰ সুবিধা প্ৰৱৰ্তন কৰিছে।

৪। নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ কালি সন্ধিয়া চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। *আৰু*

৫। কাজাখাস্তানত অনুষ্ঠিত এছিয়ান শ্বুটিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটো অলিম্পিক পদক বিজয়ী মানু ভাকৰে নেতৃত্ব দিব।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলে ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি ভাৰত চৰকাৰ তথা জনসাধাৰণলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শুভেচ্ছা জনাই ভাৰতৰ প্ৰগতি আৰু গোলকীয় পৰ্যায়ত প্ৰাপ্য সন্মানৰ প্ৰশংসা কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰʼৱে প্ৰধানমন্ত্ৰী মোদী আৰু দেশবাসীক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনায়। এটা বাৰ্তাত শ্ৰী মেক্ৰʼই দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগে স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাই ভাৰতৰ শান্তি, সমৃদ্ধি আৰু প্ৰগতি কামনা কৰে। অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৰংঙে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাই ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ গভীৰ সম্পৰ্ক অনাগত দিনটো বৰ্তি থাকিব বুলি আশা প্ৰকাশ কৰে। মালদ্বীপৰ বিদেশ মন্ত্ৰী আব্দুল্লা খলিল, নেপালৰ বিদেশ মন্ত্ৰী আৰজু ৰানা দেউবায়ো ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাই ভাৰত গণতন্ত্ৰৰ এটা উজ্বল উদাহৰণ হিচাপে বিশ্বৰ অন্যান্য দেশসমূহকো অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শুভেচ্ছাৰ বাবে বিশ্ব নেতাসকলক ধন্যবাদ জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হাৰ্জগ আৰু মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুক ধন্যবাদ জনাই কয়, যে মালদ্বীপৰ চৰকাৰ আৰু ইয়াৰ জনসাধাৰণৰ সৈতে মিত্ৰতাপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে ইজৰাইল আৰু ভাৰতৰ নাগৰিকসকলৰ শান্তি, নিৰাপত্তা আৰু উন্নয়ন কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি, ভূটান আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাই কয়, যে ফ্ৰান্সৰ সৈতে কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে অনাগত সময়ত ভাৰত আৰু ভূটানৰ মাজৰ মিত্ৰতাৰ সম্পৰ্ক অধিক শক্তিশালী হ'ব বুলি কামনা কৰে।

০০০০০

বিশিষ্ট বেলুচ মানৱ অধিকাৰ কৰ্মী মীৰ য়াৰ বেলুচে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱস উপলক্ষে কালি লালকিল্লাৰ প্ৰাচীৰৰ পৰা দেশবাসীক উদ্দেশি দিয়া ভাষণত ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ খনিজ অভিযানৰ অধীনত ভাৰতৰ গুৰুত্বপূৰ্ণ খনিজ অন্বেষণ সন্দৰ্ভত দিয়া বিবৃতিৰ প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত ভাৰতে এহেজাৰ ২০০টা স্থান অন্বেষণৰ জৰিয়তে গুৰুত্বপূৰ্ণ খনিজৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ প্ৰচেষ্টা চলাইছে বুলি ঘোষণা কৰিছিল। মানৱাধিকাৰ কৰ্মীগৰাকীয়ে কয়, যে পাকিস্তানক অপ্ৰাসংগিক কৰি ভাৰত আৰু বেলুচিস্তান অৰ্থনীতি, প্ৰতিৰক্ষা, সুৰক্ষা আৰু শান্তিৰ দিশত দীৰ্ঘকালীন অংশীদাৰ হ'ব পাৰে। মীৰ য়াৰে ছয় কোটি বেলুচ জনসাধাৰণৰ হৈ ১৪০ কোটি ভাৰতীয়ক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে ভাৰত নাইবা বেলুচিস্তান কোনো এখন দেশে স্বাধীনতা উপহাৰ হিচাপে পোৱা নাছিল বৰঞ্চ পূৰ্বপুৰুষৰ অসীম ত্যাগ আৰু বলিদানৰ ফলস্বৰূপে স্বাধীনতা লাভ কৰা গৈছিল। তেওঁ দুয়োখন দেশৰ বিৰুদ্ধে হোৱা যিকোনো ধৰণৰ ষড়যন্ত্ৰক নিঃশেষ কৰাৰ লগতে অপাৰেচন সিন্দূৰত দেখুওৱাৰ দৰে পাকিস্তানৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়াৰ বাবে একেলগে কাম কৰি যাব পৰাকৈ ভাৰত চৰকাৰক বাস্তৱিক আৰু স্পষ্টৰূপত বেলুচিস্তানৰ সৈতে থিয় দিবলৈ আহ্বান জনায়।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২১০ গৰাকী নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিয়ে কালি নতুন দিল্লীৰ লালকিল্লাত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে এই সন্দৰ্ভত কয়, যে তেওঁলোকৰ উপস্থিতিয়ে প্ৰশাসনৰ তৃতীয় স্তৰৰ শক্তিক চিহ্নিত কৰি গ্ৰাম্য ভাৰতৰ সংস্কৃতি আৰু ভাৱনাক প্ৰতিফলিত কৰিলে। কালি পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে পঞ্চায়ত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনায়। অনুষ্ঠানত ভাষণ দি শ্ৰী সিঙে তৃণমূল পৰ্যায়ত কৰা কাম তথা চৰকাৰৰ কল্যাণকামী আঁচনিসমূহ ৰূপায়ণত বিশেষ ভূমিকা পালন কৰাৰ বাবে পঞ্চায়ত প্ৰতিনিধিসকলৰ প্ৰশংসা কৰে। তেওঁ পঞ্চায়ত প্ৰতিনিধিসকলক বিকশিত ভাৰতৰ দৰ্শনক অনুধাৱন কৰি এই দিশত একাগ্ৰতাৰে কাম কৰি যাবলৈ আহ্বান জনায়। এই অনুষ্ঠানতে **সভা ছাৰ** শীৰ্ষক এটা কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত টুল মুকলি কৰা হয়। এই ব্যৱস্থাই গাঁও সভা আৰু অন্যান্য পঞ্চায়ত বৈঠকসমূহৰ অডিঅ' আৰু ভিডিঅ' ৰেকৰ্ডিঙৰ পৰা নিজে নিজে সভাৰ কাৰ্য বিৱৰণী প্ৰস্তুত কৰিব।

০০০০০

নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ কালি সন্ধিয়া চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। জ্যেষ্ঠ বিজেপি নেতা লা গণেশনক ২০২৩ চনৰ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ

ৰাজ্যপাল হিচাপে নিয়োগ কৰা হৈছিল। ইয়াৰ পূৰ্বে তেওঁ মণিপুৰৰ ৰাজ্যপাল আৰু পশ্চিমবংগৰ অতিৰিক্ত ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চেন্নাইত আজি বিয়লি  পাঁচ বজাত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত প্ৰয়াত গণেশনৰ দীঘলীয়া আৰু সমৰ্পিত জনসেৱাক স্মৰণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত কয়, যে ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসেৱাত জীৱন উৎসৰ্গা কৰা শ্ৰী গণেশনক সদায় এগৰাকী জাতিয়তাবাদী ব্যক্তি হিচাপে স্মৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে প্ৰয়াত গণেশনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

ooooo

জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ পাড্ডাৰ অঞ্চলত ডাৱৰ বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৬০ লৈ বৃদ্ধি পাইছে।  আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে এই দুৰ্ঘটনাত  ১০০ জনৰো অধিক লোক আহত হৈছে। অঞ্চলটোত বহুসংখ্যক লোক এতিয়াও সন্ধানহীন হৈ আছে। অঞ্চলটোত মাটি আৰু ধবংসস্তূপৰ মাজত বন্দী হৈ ৰোৱা বহু সংখ্যক লোকৰ মৃত্যু হোৱাৰ আশংকা কৰা হৈছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, আৰক্ষী, সেনা, স্থানীয় স্বেচ্ছাসেৱক আৰু জিলা প্ৰশাসনে উদ্ধাৰ অভিযান চলাই আছে। ডাৱৰ বিস্ফোৰণৰ পৰিপ্ৰেক্ষিতত বাৰ্ষিক মাছাইল মাতা যাত্ৰা বাতিল কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা আকস্মিক বানত ছশ্ব'তী গাঁৱৰ ভালেসংখ্যক বাসগৃহ, ছটা চৰকাৰী ভৱন, তিনিটা মন্দিৰ, চাৰিটা  ৱাটাৰ মিল, দুটা পশু গৃহ আৰু ৩০ মিটাৰ দৈৰ্ঘ্যৰ এখন দলং উটি যায়। আকস্মিক বানত ভালেসংখ্যক বাহন ধবংস হোৱা উপৰি বহু বৈদ্যুতিক খুঁটা উভালি পৰাত মাছাইল আৰু ছশ্ব'তীৰ লগতে ইয়াৰ কাষৰীয়া কেইবাখনো গাঁৱৰ বিদ্যুৎ যোগান ব্যাহত হৈ পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতে পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। কৰ্তৃপক্ষই বৰ্তমানলৈকে উদ্ধাৰ কৰা ৩০টা মৃতদেহ চিনাক্ত কৰিছে। বৰ্তমানলৈকে ১৬০ জনৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে আৰু ইয়াৰে ৩৮ জনৰ অৱস্থা সংকটজনক বুলি কৰ্তৃপক্ষই জনাইছে।

ooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মাজত আলাস্কাত অনুষ্ঠিত বৈঠকখন ইউক্ৰেইন-ৰাছিয়া সংঘৰ্ষ সন্দৰ্ভত কোনো মিমাংসা অবিহনে সমাপ্ত হয়। আলাস্কাৰ এংকৰেজৰ এলমেণ্ডৰ্ফ-ৰিছাৰ্ডছন অসামৰিক ঘাটিত অনুষ্ঠিত এই বৈঠক প্ৰায় তিনি ঘণ্টা ধৰি চলে। বৈঠকৰ অন্তত এখন যুটীয়া সংবাদমেলত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁলোকৰ আলোচনাৰ মুখ্য বিষয় আছিল ইউক্ৰেইন সংঘৰ্ষ। তেওঁ কয়, যে ইউক্ৰেইনৰ সৈতে এই সংঘৰ্ষ সমাপ্ত কৰিবলৈ তেওঁ আগ্ৰহী। ৰাছিয়াই এই সংঘৰ্ষৰ প্ৰাথমিক কাৰণটো নিৰ্মূল কৰিব বিচাৰে বুলি উল্লেখ কৰি শ্ৰী পুটিনে ইউক্ৰেইন আৰু ইউৰোপক শান্তি বাৰ্তাত বাধা নিদিবলৈ সতৰ্ক কৰি দিয়ে।

ooooo

সমাপ্ত